আজিৰ কাকত আজিয়েই
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক


www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

MONDAY, MARCH 18, 2024 www.newsnextone.comৰ অনলাইন দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ৮০ Guwahati, Assam ।। মূল্যঃ এটকা

## উৎস জনোৱাৰ পৰা বিৰত বিজেপি-কংগ্ৰেছ, ব্যতিক্ৰম ডিএমকে

# ইলেক্ট’ৰেল বণ্ডৰ নতুন তথ্য প্ৰকাশ নিৰ্বাচন আয়োগৰ




নতুন দিল্লী, ১৭ মাৰ্চঃ কেন্দ্ৰীয় চৰকাৰে ২০১৮ চনত দুয়ো সদনত গৃহীত কৰি কাৰ্যকৰী কৰা নিৰ্বাচনী বণ্ড আইনক লৈ দেশজুৰি চৰ্চা অব্যাহত আছে। উচ্চতম ন্যায়ালয়ৰ প্ৰত্যক্ষ হস্তক্ষেপত ষ্টেট বেংক অৱ ইণ্ডিয়াই ক্ৰমে তথ্য ৰাজহুৱা কৰি থকাৰ সময়তে ন-ন তথ্য পোহৰলৈ আহিব ধৰিছে। নিৰ্বাচনী বণ্ড গোপনীয় আছিল যদিও ন্যায়ালয়ৰ নিৰ্দেশত তথ্য ৰাজহুৱা কৰাৰ পাছতে কোনটো দলে বণ্ডৰ দ্বাৰা লাভৱান হৈছে তাকে লৈ চৰ্চা অব্যাহত আছে। শেষাংশ ২ পৃষ্ঠাত

## দুখনকৈ ৰাজ্যত আগুৱালে গণনাৰ দিন

**নতুন দিল্লী, ১৭ মাৰ্চঃ** দেশৰ নিৰ্বাচন আয়োগে দুখন ৰাজ্যৰ বিধানসভা নিৰ্বাচনৰ ভোটগণনাৰ দিন সলনি কৰিছে। ছিক্কিম আৰু অৰুণাচল প্ৰদেশত ৪ জুনৰ পৰিৱৰ্তে ২ জুনত ভোটগণনা অনুষ্ঠিত হ'ব। এইকথা আজি এক নিৰ্দেশনা যোগে ঘোষণা কৰিছে নিৰ্বাচন শেষাংশ ৩ পৃষ্ঠাত

## সুকন্যাৰ গোচৰত ১১১৩ পৃষ্ঠাৰ অভিযোগনামা



**ই-সংবাদ, ১৭ মাৰ্চঃ** অনিয়মেৰে ধন গোটাইছিল এচিএছ সুকন্যা বৰাই। কোটি কোটি টকাৰ ধন-সম্পত্তি গোটাই লাহ-বিলাসত দিন কটাইছিল। বিদেশ ভ্ৰমণৰ নামত খৰছ কৰিছিল টকা। আয়তকৈ অত্যাধিক ধন আহৰণৰ কথা পোহৰলৈ আহিছে। ইতিমধ্যে এনে বহু তথ্য ৰাজহুৱা হৈছে। কাৰাগাৰত দিন কটোৱা সুকন্যা বৰাক ১৮ জানুৱাৰীত গ্ৰেপ্তাৰ কৰিছিল মুখ্যমন্ত্ৰীৰ দুৰ্নীতি তদাৰকী কোষে। জামিন বাৰে বাৰে নাকচ কৰিছে শেষাংশ ৩ পৃষ্ঠাত

## ডিএছপি কিৰণ নাথৰ বনকৰা কিশোৰীক নিৰ্যাতন!

**ই-সংবাদ, ১৭ মাৰ্চঃ** অসম আৰক্ষীৰ স্বচ্ছ আৰু নিকা ভাৱমূৰ্তি গঢ়িবলৈ আহোপুৰুষাৰ্থ কৰি আহিছে গৃহমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু আৰক্ষী সঞ্চালক প্ৰধান জি.পি সিঙে। কিন্তু একাংশ আৰক্ষীয়ে অসম আৰক্ষীক বদনাম কৰিবলৈহে অহৰ্নিশে প্ৰয়াস কৰা দেখা যায়। সময়ে সময়ে উচ্চপদস্থ আৰক্ষী বিষয়াৰ কু-কীৰ্তিৰ বাবে অসম আৰক্ষী শেষাংশ ২ পৃষ্ঠাত






# ইলেক্ট'ৰেল বণ্ডৰ নতুন

■ প্ৰথম পৃষ্ঠাৰ পৰা...

কোনটো ৰাজনৈতিক দলে নিৰ্বাচনী বণ্ডৰ পৰা লাভান্বিত হৈছে তাক লৈ দেশজুৰি জল্পনা-কল্পনা চলি আছে। নিৰ্বাচন আয়োগে দেওবাৰে বণ্ডক লৈ নতুন তথ্য প্ৰকাশ কৰিছে। সেই তথ্যৰ ওপৰত আধাৰিত কৰি ২০১৮ চনত নিৰ্বাচনী বণ্ড প্ৰৱৰ্তন কৰাৰ পিছত কোন দলে কিমান টকা সংগ্ৰহ কৰিছিল সেই তথ্য প্ৰায় স্পষ্ট হৈছে। বণ্ড লাভৰ ক্ষেত্ৰত বিজেপি তালিকাৰ শীৰ্ষত আছে। বিজেপিয়ে নিৰ্বাচনী বণ্ড মুকলি কৰি প্ৰায় ৭,০০০ কোটি টকা লাভ কৰিছিল। তাৰ পিছত পশ্চিমবংগৰ শাসকীয় দল তৃণমূল আছে। কংগ্ৰেছ তৃতীয় স্থানত আছে। কে চন্দ্ৰশেখৰ ৰাওৰ ভাৰত ৰাষ্ট্ৰ সমিতি (বিআৰএছ) চাৰি নম্বৰত আছে। দেওবাৰে এক বিবৃতিত নিৰ্বাচন আয়োগে কয় যে উচ্চতম ন্যায়ালয়ৰ পৰা প্ৰাপ্ত তথ্য ৱেবছাইটত আপলোড কৰা হৈছে। শীৰ্ষ আদালতে নিৰ্বাচনী বণ্ড সম্পৰ্কীয় তথ্য বন্ধ খামত দিছিল। ৰাজনৈতিক দলসমূহে উচ্চতম ন্যায়ালয়ত বন্ধ খামত দাখিল কৰা বণ্ডৰ তথ্য ৰাজহুৱা কৰা হৈছে। আয়োগে বৃহস্পতিবাৰে প্ৰকাশ কৰা বণ্ডৰ তথ্য ২০১৯ চনৰ এপ্ৰিল মাহৰ পৰা ২০২৪ চনৰ ১৫ ফেব্ৰুৱাৰীলৈ কিমানটা বণ্ড ক্ৰয় আৰু ৰিডিম কৰা হৈছিল তাৰ তথ্য আছে। এই তথ্য এছবিআইয়ে আয়োগক হস্তান্তৰ কৰিছিল। দেওবাৰে, ৰাজনৈতিক দলবোৰে দিয়া তথ্য ৰাজহুৱা কৰা হৈছিল।

বিজেপিয়ে ২০১৮ চনৰ পৰা নিৰ্বাচনী বণ্ডৰ জৰিয়তে ৬,৯৮৬.৫০ কোটি টকা লাভ কৰিছে। তাৰ পিছত, তৃণমূলে ১,৩৯৭ কোটি টকা লাভ কৰে। ১,৩৩৪ কোটি টকা কংগ্ৰেছৰ পুঁজিলৈ গৈছিল। আৰু বিআৰএছে নিৰ্বাচনী বণ্ড ৰিডিম কৰি ১,৩২২ কোটি টকা লাভ কৰিছিল।

বিতৰ্কিত লটাৰী ব্যৱসায়ী মাৰ্টিন ছান্টিয়াগোৰ কোম্পানী ফিউচাৰ গেমিং এণ্ড হোটেল চাৰ্ভিচেছ বণ্ড ক্ৰয়ৰ শীৰ্ষত আছে। তেওঁলোকে মুঠ ১,৩৬৮ কোটি টকাৰ নিৰ্বাচনী বণ্ড ক্ৰয় কৰিছিল। দেওবাৰে প্ৰকাশিত তথ্যত তামিলনাডুৰ ডিএমকেয়ে ছান্টিয়াগোৰ দ্বাৰা ক্ৰয় কৰা বণ্ড মুকলি কৰি আটাইতকৈ বেছি ধন লাভ কৰিছিল। তেওঁলোকে প্ৰায় ৩৭ শতাংশ ধন লাভ কৰিছিল। যাৰ পৰিমাণ হৈছে টিকে ৫০৯ কোটি। এম কে.ষ্টেলিনৰ দলেও মেঘা ইঞ্জিনিয়াৰিঙৰ পৰা ১০৫ কোটি টকা লাভ কৰিছিল। ডিএমকেয়ে চান টিভি আৰু ইণ্ডিয়া চিমেণ্টছৰ পৰা ক্ৰমান্বয়ে ১০০ কোটি টকা আৰু ১৪ কোটি টকা লাভ কৰিছিল। ওড়িশাৰ শাসনাধিষ্ঠ বিজু জনতা দলে নিৰ্বাচনী বণ্ডৰ পৰা ৯৪৪.৫০ কোটি টকা লাভ কৰিছে। অন্ধ্ৰ প্ৰদেশৰ শাসনাধিষ্ঠ ৱাইএছআৰ কংগ্ৰেছ দলে বণ্ড ৰিডিম কৰি ৪৪২.৮০ কোটি টকা লাভ কৰিছে। জেডিএছ দলেও বণ্ডৰ পৰা ধন লাভ কৰিছে। ৮৯.৭৫ কোটি টকা পাইছে জেডিএছে। ইয়াৰ ভিতৰত ৫০ কোটি টকা 'মেঘা ইঞ্জিনিয়াৰিং' কোম্পানীৰ পৰা আহিছিল। টিডিপিয়ে ১৮১.৩৫ কোটি টকা লাভ কৰিছিল। শিৱসেনা, আৰজেডি আৰু সমাজবাদী পাৰ্টীয়ে ক্ৰমান্বয়ে ৬০.৪০ কোটি টকা, ৫৬ কোটি টকা আৰু ১৪.০৫ কোটি টকা লাভ কৰিছে। নিৰ্বাচন আয়োগৰ সূত্ৰ অনুসৰি, শুনানিৰ সময়ত ৰাজনৈতিক দলসমূহে উচ্চতম ন্যায়ালয়ত বন্ধ খামত দাখিল কৰা নিৰ্বাচনী বণ্ড সম্পৰ্কীয় তথ্য দেওবাৰে ৰাজহুৱা কৰা হয়। নতুন নথিপত্ৰৰ ভিতৰত আছে বণ্ড ক্ৰয়ৰ তাৰিখ, বণ্ডৰ সংখ্যা, ভাৰতীয় ষ্টেট বেংকৰ কোনটো শাখাৰ পৰা ক্ৰয় কৰা হৈছে তাৰ তথ্য সন্নিৱিষ্ট কৰা হৈছে৷

# ডিএছপি কিৰণ নাথৰ

■ প্ৰথম পৃষ্ঠাৰ পৰা...

বদনাম হ'বলগীয়া হয়৷ এইবাৰ এগৰাকী উচ্চপদস্থ আৰক্ষী বিষয়াই অসম আৰক্ষীক লজ্জানত কৰিছে৷ উচ্চপদস্থ আৰক্ষী বিষয়াই কিশোৰীক নিৰ্যাতন চলোৱাৰ অভিযোগ উত্থাপন হৈছে৷ ঘটনা সংঘটিত হৈছে গোলাঘাট জিলাৰ দেৰগাঁৱত৷ শনিবাৰে নিশা দেৰগাঁও আৰক্ষী থানাত উত্তপ্ত পৰিস্থিতিৰো সৃষ্টি হয়। দেৰগাঁৱৰ আৰক্ষী প্ৰশিক্ষণ মহাবিদ্যালয়ত কৰ্মৰত ডিএছপি কিৰণ নাথৰ বিৰুদ্ধে এগৰাকী কিশোৰীক নিৰ্যাতন চলোৱাৰ অভিযোগ উত্থাপন কৰিছে পৰিয়ালে৷ ১৫ বছৰীয়া কিশোৰীক শাৰিৰীক নিৰ্যাতন চলোৱাৰ অভিযোগ উত্থাপন কৰি পৰিয়ালে দেৰগাঁও আৰক্ষী থানাত এজাহাৰ দাখিল কৰে৷ কিন্তু আৰক্ষীয়ে গোচৰ ৰুজু নকৰি কিশোৰীৰ পৰিয়ালক হাৰাশাস্তি কৰাৰ প্ৰয়াস কৰাৰ অভিযোগ উঠিছে৷ ইমানে নহয় কিশোৰীগৰাকী আৰু পৰিয়ালক আৰক্ষী থানাৰ ভিতৰতে ডিএছপি কিৰণ নাথৰ পত্নীয়ে ভাবুকি দি ঘটনাক অন্য দিশে ঢাল খুওৱাৰ প্ৰয়াস কৰে৷ যাৰ ফলত একাংশ লোকে আৰক্ষী থানাৰ ভিতৰত আৰক্ষীক উভতি ধৰে৷ ডিএছপিৰ পত্নীয়ে কেনেকৈ গোচৰত হস্তক্ষেপ কৰিব পাৰে বুলি উভতি ধৰাত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়৷ কিৰণ নাথৰ পত্নীয়ে আৰক্ষীক ঘটনাৰ বিষয়ে অৱগত নকৰিবলৈ কিশোৰী আৰু কিশোৰীৰ পৰিয়ালক টনা-আঁজোৰা কৰাত থানাৰ ভিতৰত হুলস্থুলীয়া পৰিবেশৰ সৃষ্টি হয়। ইমানে নহয় শুকুৰবাৰে সন্ধিয়া কিৰণ নাথে বনকৰা কিশোৰীৰ ঘৰলৈ গৈ ভাবুকি দিয়ে৷ কিশোৰীক গাড়ীত তুলি নি যৌন আতিশয্য চলাবলৈ প্ৰয়াস কৰাৰো অভিযোগ উঠে। কিশোৰীয়ে সমস্ত কথা মাতৃক অৱগত কৰে৷ মাতৃয়ে স্থানীয় মুৰব্বীক অৱগত কৰাত আৰক্ষীৰ কাষ চপাৰ সিদ্ধান্ত লৈছিল৷ কিন্তু আৰক্ষীয়ে অভিযোগক গুৰুত্ব সহকাৰে নোলোৱাৰ লগতে কিৰণ নাথৰ পত্নীয়ে আৰক্ষী থানাৰ ভিতৰত প্ৰৱেশ কৰি গোচৰত হস্তক্ষেপ কৰে৷ আৰক্ষী প্ৰশিক্ষণ মহাবিদ্যালয়ত কৰ্মৰত ডিএছপি কিৰণ নাথে নাবালিকাগৰাকীক সৰুৰে পৰা বনকৰা কিশোৰী হিচাপে ৰাখিছিল৷ কিন্তু বিগত সময়ত নিৰ্যাতন চলোৱাৰ অভিযোগ উত্থাপিত হয়৷ ইপিনে ডিজিপি জি.পি সিঙে এক্সত এটা পোষ্ট দি গোচৰ পঞ্জীয়ন কৰাৰ কথা ঘোষণা কৰে৷ ডিজিপি জি.পি সিঙে কয় যে দেৰগাঁৱত নিযুক্ত ডিএছপিৰ দ্বাৰা গৃহকৰ্মীক যৌন নিৰ্যাতনৰ অভিযোগ প্ৰসংগত আইপিচিৰ ধাৰা ৩৭৬,৫০৬ৰ অধীনত গোচৰ নং ৪১ আৰু পকচো আইনৰ ধাৰা ৬ৰ অধীনত গোলাঘাটৰ দেৰগাঁও থানাত পঞ্জীয়ন কৰা হৈছে। ডি.এছ.পি. কিৰণ নাথক গোচৰৰ তদন্তৰ সময়ত অহা প্ৰমাণৰ ভিত্তিত গ্ৰেপ্তাৰ কৰা হৈছে। আৰক্ষী কৰ্মীৰ মাজত যৌন অসদাচৰণৰ প্ৰতি শূন্য সহনশীলতা নীতি অৱলম্বনৰ কৰিবলৈ কঠোৰ মুখ্য কাৰ্যালয়৷

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# দুখনকৈ ৰাজ্যত

আয়োগে৷ দুয়োখন ৰাজ্যত ২ জুনত বিধানসভা নিৰ্বাচনৰ ভোটগণনা অনুষ্ঠিত হ'ব। নিৰ্বাচন আয়োগে দেশজুৰি ৪ জুনত ভোটগণনা অনুষ্ঠিত হ'ব বুলি ঘোষণা কৰিছিল৷ কিন্তু এই দুই ৰাজ্যত দুদিন আগুৱাই দিয়া হয় ভোটগণনাৰ দিন৷ অৰুণাচল প্ৰদেশ আৰু ছিক্কিম বিধানসভাৰ কাৰ্যকাল ২ জুনত সমাপ্ত হ'ব। সেয়েহে নিৰ্বাচন আয়োগে ভোটগণনাৰ দিন ৪ জুনৰ পৰিৱৰ্তে ২ জুনলৈ আগুৱাই দিয়াৰ সিদ্ধান্ত লয়। ৰাজ্য দুখনৰ সংসদীয় সমষ্টিসমূহৰ ভোটগণনা ৪ জুনতেই কৰা হ'ব৷ অন্ধ্ৰপ্ৰদেশ আৰু ওড়িশাতো বিধানসভা নিৰ্বাচন অনুষ্ঠিত হ'ব। অৱশ্যে এই দুখন ৰাজ্যত ৪ জুনতে ভোটগণনা অনুষ্ঠিত হ'ব৷ অৰুণাচল আৰু ছিক্কিমত ১৯ এপ্ৰিলত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব৷ অৰুণাচল আৰু ছিক্কিমৰ বিধানসভা নিৰ্বাচনৰ বাবে ২০ মাৰ্চত অধিসূচনা জাৰি হ'ব৷ মনোনয়ন দাখিলৰ অন্তিম দিন ২৭ মাৰ্চ।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সুকন্যাৰ গোচৰত ১১১৩ পৃষ্ঠাৰ

কৰিছে আদালতে৷ তাৰ মাজতে তদন্তকাৰী সংস্থাই বিশেষ ন্যায়াধীশৰ আদালতত অভিযোগনামা দাখিল কৰিছে৷ এই অভিযোগনামা হৈ পৰিল দুৰ্নীতিৰ দস্তাবেজ৷ বিভিন্ন আঁচনিত দুৰ্নীতি, উচ্চপদস্থ বিষয়াৰ পৰা উপহাৰ লাভ, পথ নিৰ্মাণ নকৰাকৈয়ে পুঁজি মোকলাই লোৱা, সাংসদ পুঁজিৰ কেলেংকাৰীত জড়িত থকা বুলিও জানিব পৰা গৈছে। ১১১৩ পৃষ্ঠাৰ অভিযোগনামাত সুকন্যা বৰাই কেনেদৰে অবৈধভাৱে ধন আহৰণ কৰিছিল সমস্ত তথ্য সন্নিৱিষ্ট কৰা বুলি জানিব পৰা গৈছে৷ বৈধ আয়তকৈ অত্যাধিক ধন আহৰণ কৰাৰ কথা ওলাই পৰিছে৷ বৈধ আয়তকৈ মুঠ সম্পত্তিৰ পৰিমাণ ৭৮৬.২৬ শতাংশ বেছি। সমস্ত দুৰ্নীতিৰ কথা উল্লেখ কৰিবলৈ তদন্তকাৰী সংস্থাই ১১১৩ পৃষ্ঠাৰ অভিযোগনামা প্ৰস্তুত কৰিবলগীয়া হয়৷ ৮ বছৰীয়া চাকৰিকালত দুৰ্নীতি কৰি প্ৰায় ৯ কোটি টকা ঘটিছিল। ৯ কোটিৰ ভিতৰত বেছিখিনি ধনেই আছিল অবৈধ কৈ আহৰণ কৰা ধন৷ প্ৰয়োজনত সম্পত্তি বাজেয়াপ্ত হ'ব পাৰে৷ কিছু সম্পত্তি ইতিমধ্যেই ছীল কৰা হৈছে৷ এনে সম্পত্তিসমূহ নিজৰ নামত থকাৰ লগতে বহু আত্মীয়ৰ নামত কৰি লৈছিল৷ গ্ৰেপ্তাৰৰ সময়ত আয়ুক্ত হিচাপে কাৰ্যনিৰ্বাহ কৰি আছিল সুকন্যা বৰা। ৮ বছৰ চাকৰি কৰিয়েই সুকন্যা বৰাই প্ৰায় ৯ কোটি টকাৰ স্থাৱৰ-অস্থাৱৰ টকাৰ সম্পত্তিৰ গৰাকী হৈছিল। গুৱাহাটী মহানগৰত মাটি-ঘৰ কৰিছিল৷ মৰিগাঁৱত সম্পত্তি ক্ৰয় কৰিছিল। গুৱাহাটীৰ চাৰি ঠাইত মাটি আৰু ফ্লেট থকাৰ কথা পোহৰলৈ আহিছিল৷ আমিনগাঁৱত বিঘাই বিঘাই ভূমি ক্ৰয় কৰিছিল৷ দক্ষিণ শৰণীয়াৰ পৈত্ৰিক সম্পত্তিৰ লগতে জয়ানগৰৰ চিণ্ডিকেট আৰকেভিয়া এপাৰ্টমেণ্টত বিলাসী টেণ্ট হাউচ খুলিছিল। জয়নগৰৰ ঘৰৰ মূল্য প্ৰায় আঢ়ৈ কোটি টকা। জ্যেষ্ঠ বিষয়াৰ ছত্ৰছায়াত চাকৰিকালত নিজৰ বাবে টকাই আহৰণ কৰিছিল৷ কামৰূপ মহানগৰ আৰু মৰিগাঁও জিলাত উন্নয়ন আয়ুক্ত ৰূপে কাৰ্যনিৰ্বাহ কৰাৰ সময়ত সকলোতকৈ বেছি ধন আহৰণ কৰা বুলি জানিব পৰা গৈছে৷ জানিব পৰা মতে, গুৱাহাটীৰ চাৰি ঠাইত সুকন্যাৰ মাটি আৰু ফ্লেট থকাৰ লগতে আমিনগাঁৱতো কেইবা বিঘা মাটি আছে।

# মহাদেৱ এপক লৈ চত্তিশগড়ৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ভূপেশ বাঘেলৰ বিৰুদ্ধে গোচৰ ৰুজু

**নতুন দিল্লী, ১৭ মাৰ্চঃ** দেশত লোকসভা নিৰ্বাচনক লৈ গৰম বতাহ বলি থকাৰ সময়তে আজি ছত্তীছগড়ৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা কংগ্ৰেছ নেতা ভূপেশ বাঘেলৰ বিৰুদ্ধে ৰুজু কৰা হৈছে গোচৰ৷ ছত্তীশগড় আৰক্ষীয়ে ভূপেশ বাঘেল আৰু মহাদেৱ এপ কৰ্তৃপক্ষৰ বিৰুদ্ধে অনলাইন লেন-দেনৰ অভিযোগত গোচৰ ৰুজু কৰে। একাংশ নেতা আৰু আৰক্ষী বিষয়াই ধন লৈ অবৈধ ব্যৱসায় কৰা লোকক সহায় কৰি অভিযোগ উঠিছিল৷ বিগত বিধানসভা নিৰ্বাচনৰ পূৰ্বে ভূপেশ বাঘেলে মুখ্যমন্ত্ৰী হৈ থকাৰ সময়তে মহাদেৱ এপৰ পৰা ধন লোৱাৰ অভিযোগ উত্থাপন কৰিছিল বিজেপিয়ে৷ নিৰ্বাচনতো এই বিষয়টোক ব্যাপক হাথিয়াৰ ৰূপে ব্যৱহাৰ কৰে বিজেপিয়ে৷ নিৰ্বাচনত কংগ্ৰেছ পৰাজিত হয় বিজেপি দলে চৰকাৰ গঠন কৰিবলৈ সক্ষম হয়৷ বিজেপিয়ে চৰকাৰ গঠনৰ চাৰিমাহ অন্তত প্ৰাক্তন মুখ্যমন্ত্ৰীগৰাকীৰ বিৰুদ্ধে গোচৰ ৰুজু কৰে৷ লোকসভা নিৰ্বাচনৰ পূৰ্বে, মহাদেৱ এপ গোচৰৰ এজাহাৰখনে ভূপেশ বাঘেলৰ বাবে সমস্যাৰ সৃষ্টি কৰিব পাৰে। আৰু ৰাজনৈতিকভাৱে কংগ্ৰেছৰ ক্ষতি হ'ব পাৰে। ভাৰতীয় দণ্ড বিধিত প্ৰৱঞ্চনা, অপৰাধমূলক ষড়যন্ত্ৰ, বিশ্বাস ভংগ আৰু জালিয়াতি সম্পৰ্কীয় বিভিন্ন ধাৰা আৰু দুৰ্নীতি প্ৰতিৰোধ আইনৰ ৭ আৰু ১১ ধাৰাৰ অধীনৰ আৰক্ষীৰ এজাহাৰত অভিযুক্ত কৰা হৈছে বাঘেলক। বাঘেলৰ উপৰিও মহাদেৱ এপৰ প্ৰচাৰক সৌৰভ চন্দ্ৰকাৰ আৰু ৰবি উপ্পলকে ধৰি আন ১৬ জনৰ নাম এজাহাৰত উল্লেখ কৰা হৈছে। প্ৰৱৰ্তন সঞ্চালকালয়ে ৮ আৰু ৩০ জানুৱাৰীত ৰাজ্যিক আৰক্ষীলৈ দুটা তদন্ত প্ৰতিবেদন প্ৰদান কৰিছিল৷ তাৰ পাছতে বাঘেলৰ বিৰুদ্ধে গোচৰ ৰুজু কৰা হয়। দৰাচলতে ইডিৰ তদন্ত প্ৰতিবেদনত কোৱা হৈছে যে মহাদেৱ এপৰ অবৈধ কাৰ্যকলাপৰ অনুমতি দিয়াত ৰাজ্য চৰকাৰৰ শীৰ্ষ পৰ্যায়ৰ লোক জড়িত আছিল৷ যোৱা বছৰৰ নৱেম্বৰত, বিত্তীয় অপৰাধ অনুসন্ধান সংস্থাটোৱে অভিযোগ কৰিছিল যে চন্দ্ৰকাৰ আৰু উপ্পলে বাঘেলক ৫০৮ কোটি টকাৰ উৎকোচ দিছিল। দুয়োজন বৰ্তমান সংযুক্ত আৰৱ আমিৰাত চৰকাৰৰ জিম্মাত আছে আৰু প্ৰত্যাৰ্পণৰ অনুৰোধ জনোৱা হৈছে।

# অসম জাতীয় পৰিষদ ত্যাগ প্ৰিন্স ফাইজুল হকৰ



**ই-সংবাদ, ১৭মাৰ্চঃ** এদিন পূৰ্বে দুলু আহমেদে সামাজিক মাধ্যমত অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈৰ বিৰুদ্ধে কংগ্ৰেছৰ ভৰিত পৰা বুলি আৰু দলটো বন্ধ কৰি দিয়াৰ ধমকি দিছিল। তাৰ পাছতে আজি দল ত্যাগৰ ঘোষণা কৰিছে প্ৰিন্স ফাইজুল হকে। প্ৰাক্তন আছু নেতা তথা অসম জাতীয় পৰিষদৰ নেতা প্ৰিন্স ফাইজুল হকে অসম গণ পৰিষদত যোগদানৰ ঘোষণা কৰিছে। অসম জাতীয় পৰিষদৰ পৰা পদত্যাগ কৰি অসম গণ পৰিষদত যোগদান কৰিব হকে। প্ৰিন্স ফাইজুল হক অসম জাতীয় পৰিষদৰ সম্পাদক আছিল। বিগত বিধানসভা নিৰ্বাচনত দিছপুৰৰ বিধানসভা সমষ্টিত অসম জাতীয় পৰিষদৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিছিল।

# গোলাঘাটত জোৰকৈ বাহনত তুলি নিলে ছাত্ৰীক

## উদ্ধাৰৰ বাবে কাতৰ আহ্বান মাতৃৰ

**ই-সংবাদ, ১৭মাৰ্চঃ** এগৰাকী ছাত্ৰী নিৰুদ্দেশ হৈ থকাৰ ঘটনাই তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে গোলাঘাটত। গোলাঘাট আধাৰসত্ৰ মোক্তাৰ গাঁৱৰ ছাত্ৰী ছানিয়া চুলতানা বিগত এসপ্তাহে নিৰুদ্দেশ হৈ আছে। গোলাঘাট জাতীয় মহাবিদ্যালয়ৰ উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিকৰ ছাত্ৰী ছানিয়া চুলতানাই এসপ্তাহ পূৰ্বে পুৱাই কলেজলৈ যাম বুলি ঘৰৰ পৰা ওলাই গৈছিল। কিন্তু দিনটো ঘৰলৈ উভতি নহাত পৰিয়ালৰ লোক বিচাৰ-খোচাৰ আৰম্ভ কৰে। পাছত খুমটাই বুটলীখোৱাৰ ৫০ বছৰীয়া ইফটিকাৰ হুছেইন জোৰকৈ চাৰিচকীয়া বাহনত তুলি নিয়া বুলি অৱগত হয়। গোলাঘাট নগৰৰ পৰাই AS-01-EE-5055 নম্বৰৰ বগা ৰঙৰ ক্ৰেটা বাহনত ইফটিকাৰ হুছেইন বলপূৰ্বক ছাত্ৰীগৰাকীক তুলি নিছিল। ইফটিকাৰ হুছেইনে ছাত্ৰীগৰাকীক অপহৰণ কৰাৰ সন্দেহ কৰা হৈছে। গোলাঘাট সদৰ আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰে পৰিয়ালে। এতিয়ালৈকে ছাত্ৰী ছানিয়া চুলতানা আৰু ইফটিকাৰৰ শুংসূত্ৰ উদ্ধাৰ কৰিব পৰা নাই আৰক্ষীয়ে। মেধাৱী ছাত্ৰীগৰাকীৰ মাতৃয়ে শীঘ্ৰে উদ্ধাৰৰ আহ্বান জনাইছে। কোনো লোকে ছাত্ৰীগৰাকীৰ সন্ধান লাভ কৰিলে পৰিয়ালৰ লোকক অৱগত কৰিবলৈ আহ্বান জনাইছে মাতৃগৰাকীয়ে। মানসিকভাৱে ভাগি পৰা মাতৃগৰাকীয়ে মুখ্যমন্ত্ৰীক বিষয়টো গুৰুত্ব সহকাৰে লৈ ছাত্ৰীগৰাকীক কুশলে উদ্ধাৰ কৰি দোষীক শাস্তি প্ৰদানৰ কাতৰ আহ্বান জনাইছে।



**ল'ৰালি! দক্ষিণ-পূব এচিয়াৰ ছংকুইঙত হাতত চিলা লৈ কেইটিমান কণমাণি**

# অসমত মুঠ ভোটাৰ ২কোটি ৪৩ লাখ

**ই-সংবাদ, ১৭মাৰ্চঃ** দেশৰ নিৰ্বাচন আয়োগে সাধাৰণ নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ পাছতে আজি অসমৰ মুখ্য নিৰ্বাচনী বিষয়াই গুৱাহাটীত এখন সংবাদমেল সম্বোধন কৰি অসমৰ ভোটাৰৰ নতুন তথ্য ৰাজহুৱা কৰে। সংবাদমেলত মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে অসমত ২ কোটি ৪৩ লাখ ১৯৬০ গৰাকী সৰ্বমুঠ ভোটাৰ থকা বুলি তথ্য প্ৰকাশ কৰিছে। ইয়াৰে ১ কোটি ২১ লাখ ৭৯ হাজাৰ ৩৫৮ গৰাকী পুৰুষ আৰু ১ কোটি ২১ লাখ ২২ হাজাৰ ১৮৮ গৰাকী মহিলা ভোটাৰ। ৰাজ্যখনত এশ বছৰৰ উৰ্ধৰ ৪৮৫৪ গৰাকী ভোটাৰ আছে। অসমত মুঠ ২৮,৬৫০টা ভোট কেন্দ্ৰ থাকিব। ২৬২টা আদৰ্শ ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে। তাৰ লগতে ১৪০৯টা ভোটগ্ৰহণ মহিলাই পৰিচালিত কৰিব। ৪৫,১৭৬ গৰাকী দৃষ্টিহীন ভোটাৰ আছে। দৃষ্টিহীন ভোটাৰৰ বাবে ব্ৰেইলী ভিভিপেটৰ ব্যৱস্থা কৰিব নিৰ্বাচন আয়োগে। ৰাজ্যৰ ১৪টা লোকসভা সমষ্টিৰ বাবে বিভিন্ন এলেকাত মুঠ ৫২টা স্থানত ১২৬টা ষ্ট্ৰং ৰুমৰ ব্যৱস্থা কৰিব নিৰ্বাচন আয়োগে।

# কংগ্ৰেছক শোণিতপুৰ-ডিব্ৰুগড়ৰ প্ৰাৰ্থী প্ৰত্যাহাৰৰ আহ্বান আপ নেতৃত্বৰ

**ই-সংবাদ, ১৭মাৰ্চঃ** আজি গণেশগুৰিৰ আপৰ কাৰ্যালয়ত মুখপাত্ৰ অনুৰূপা ডেকা ৰজাই এখন সংবাদমেল সম্বোধন কৰি বিৰোধী ঐক্য মঞ্চৰ দলসমূহক লৈ নাৰাজ হোৱা দেখা যায়। গুৱাহাটী সমষ্টিৰ প্ৰাৰ্থী প্ৰত্যাহাৰৰ উদাহৰণ দাঙি ধৰি বিৰোধী দলসমূহক শোণিতপুৰ আৰু ডিব্ৰুগড়ৰ প্ৰাৰ্থী প্ৰত্যাহাৰৰ আহ্বান জনায়। অনুৰূপা ডেকাৰজাই কয় যে বিৰোধী ঐক্যক গুৱাহাটী আসন এৰি দিছো। আমি আদৰ্শ দেখুৱাইছো। কংগ্ৰেছে ডিব্ৰুগড় আৰু শোণিতপুৰ জিলাৰ আসন এৰি আদৰ্শ দেখুওৱাক। বিৰোধী ঐক্যমঞ্চৰ ডিব্ৰুগড় সমষ্টিৰ প্ৰাৰ্থী লুৰীণজ্যোতি গগৈক সমালোচনা কৰি অসম জাতীয় পৰিষদ দল পঞ্জীয়ন হোৱা নাই বুলি কয়। বিৰোধী ঐক্যই যিগৰাকী প্ৰাৰ্থীক টিকট প্ৰদান কৰিছে। গগৈয়ে নিৰ্দলীয় হিচাপে নিৰ্বাচন খেলিব লাগিব। দলীয় প্ৰতীক চিহ্ন নাই, ভূপেন বৰাই নিৰ্বাচনত কি হ'ব চিন্তা কৰক। আনহাতে, আপে দলটোৰে উন্নয়নক মুখ্য বিষয় হিচাপে লৈ ৰাইজৰ মাজলৈ যাব বুলি কয়। আপ ৰাইজৰ মাজলৈ যাবৰ বাবে সাজু হৈছে। অসমত শোণিতপুৰ আৰু ডিব্ৰুগড় সংসদীয় সমষ্টিত উন্নয়নৰ কথা কৈয়ে ভোট ভিক্ষা কৰিব বুলি কয়। সমগ্ৰ দেশত আপে ২২ খন আসনত প্ৰতিদ্বন্দ্বিতা কৰিব। ইয়াৰে ভিতৰত শোণিতপুৰ আৰু ডিব্ৰুগড় সমষ্টিও থকা বুলি কয়। আপৰ ৰাজ্যিক উপ-সভাপতি জিতুল ডেকাই বিজেপিত যোগদান কৰাত এজন দুজনে দল এৰি গ'লে একো ক্ষতি নহয় বুলি কয়।

## নিৰ্বাচনী কাৰ্যালয় উদ্বোধন কৰি দিগন্ত কলিতাৰ বিস্ফোৰণ

# বিজেপিৰ পৰামৰ্শ মতেই দৰং-ওদালগুৰিত কংগ্ৰেছে টিকট দিছে



**ই-সংবাদ, ওদালগুৰি, ১৭ মাৰ্চঃ** "দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ বাবে কংগ্ৰেছ দলৰ যোগ্য প্ৰাৰ্থী নাছিল। বিজেপিৰ পৰামৰ্শ মতেহে কংগ্ৰেছ দলটোৱে সমষ্টিটোত মাধৱ ৰাজবংশী প্ৰাৰ্থীত্ব প্ৰক্ষেপ কৰিছে। দিলীপ শইকীয়া আৰু মোৰ পৰা কংগ্ৰেছ দলে পৰামৰ্শ বিচৰাত আমি সমষ্টিটোত মাধৱ ৰাজবংশীক প্ৰাৰ্থীত্ব প্ৰদানৰ বাবে পৰামৰ্শ দিছো।" এই মন্তব্য কমলপুৰ বিধানসভা সমষ্টিৰ বিধায়ক দিগন্ত কলিতাৰ। আজি ওদালগুৰি চহৰৰ মাজমজিয়াত নৱগঠিত ৪ নম্বৰ দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ বিজেপি-ইউপিপিএলৰ অসম গণ পৰিষদ মিত্ৰজোটৰ মূখ্য কাৰ্যালয়টো উদ্বোধন কৰা হয়। উক্ত অনুষ্ঠানতে বিধায়কগৰাকীয়ে এই মন্তব্য প্ৰকাশ কৰে। আজি ওদালগুৰি চহৰৰ ৰামজানকী চকত অস্থায়ী মুখ্য নিৰ্বাচনী কাৰ্যালয়টো দিনৰ প্ৰায় ১০-৩০ বজাত আনুষ্ঠানিকভাৱে উদ্বোধন কৰে দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ এনডিএৰ প্ৰাৰ্থী দিলীপ শইকীয়াই। এই উপলক্ষে অনুষ্ঠিত এক সভাত সমষ্টিটোৰ প্ৰাৰ্থী দিলীপ শইকীয়াই উপস্থিত দলীয় কৰ্মকৰ্তাক উদ্দেশ্যি কয়, "সকলোৱে নিৰ্বাচনৰ বাবে সাজু হবৰ হ'ল। বুথ জিকিলেহে নিৰ্বাচন জিকিম। সমষ্টিটোৰ অন্তৰ্গত প্ৰতিখন জিলাৰ কৰ্মকৰ্তাই সংশ্লিষ্ট জিলাৰ দ্বায়িত্ব পালন কৰিব। বিজেপি, ইউপিপিএল, অসম গণ পৰিষদৰ কৰ্মকৰ্তাসকলে যৌথভাৱে সমষ্টিটোত নিজৰ দ্বায়িত্ব পালন কৰি যাম। বিগত পাঁচ বছৰত যিমানখিনি কাম কৰিলো, ইয়াৰ বাবে কোনোৱা সন্তুষ্ট আৰু আন কোনোৱা অসন্তুষ্ট হব পাৰে। কিন্তু আগন্তুক পাঁচ বছৰত আন বহুতো কাম কৰাৰ বাবে সমষ্টিবাসীৰ ওচৰত দ্বায়বদ্ধ থাকিম। পদুম ফুলত ভোট দি নৰেন্দ্ৰ মোদীক প্ৰধানমন্ত্ৰী পদত অধিষ্ঠিত কৰাটো আমাৰ সকলোৰে লক্ষ্য হব লাগে।" ইফালে সাংবাদিকৰ সন্মুখত মন্তব্য কৰি বিজেপি প্ৰাৰ্থী শইকীয়াই কয় "দৰং-ওদালগুৰি লোকসভা সমষ্টিত বিজেপিৰ প্ৰাৰ্থীগৰাকীক জয়ী কৰোৱাৰ ক্ষেত্ৰত জনসাধাৰণে সৰ্বতোপ্ৰকাৰে সংকল্প লৈছে। গতিকে আমি আশাবাদী যে সমষ্টিটোত মই বিপুল ভোটৰ ব্যৱধানত জয়ী হম।" লগতে তেখেতে সমষ্টিটোৰ বিৰোধী দলৰ ভোটখিনি ক্ৰমে কংগ্ৰেছ আৰু বিপিএফ দলে দুটা ভাগত লাভ কৰিব বুলি উল্লেখ কৰে। ইফালে আজিৰ মুখ্য কাৰ্যালয় উদ্বোধন অনুষ্ঠানত লোকসভা সমষ্টিটোৰ দ্বায়িত্বত থকা তথা কমলপুৰ বিধানসভা সমষ্টিৰ বিধায়ক দিগন্ত কলিতাই দলীয়কাৰ্যকৰ্তাসকলক উদ্দেশ্যি দিয়া ভাষণত কয় যে "সন্মুখত নিৰ্বাচন আহিছে, গতিকে প্ৰতিগৰাকী কাৰ্যকৰ্তাই নিজৰ নিজৰ দ্বায়িত্বসমূহ পালন কৰি আগবাঢ়িব লাগিব। কেৰল মাত্ৰ এজনে আনজনৰ ওপৰত ভৰষা কৰি আগবাঢ়িলে নহব। নিজৰ দ্বায়িত্বসমূহ নিজে পালন কৰিব লাগিব। অনায়সে জিকিম বুলি হাত সাৱতি বহি নাথাকিব।" ইফালে কংগ্ৰেছৰ প্ৰাৰ্থী মাধৱ ৰাজবংশী সন্দৰ্ভত মন্তব্য কৰি বিধায়ক কলিতাই কয় "কংগ্ৰেছ প্ৰাৰ্থী মাধৱ ৰাজবংশীয়ে মোৰ বোধেৰে দুই লাখ ভোটো লাভ নকৰিব। দশক দশক পূৰ্বে মাধৱ ৰাজবংশীক দলে টিকট দিছিল। কিন্তু আজি কংগ্ৰেছ দলৰ কোনো উপযুক্ত প্ৰাৰ্থী নোহোৱা বাবেই মাধৱ ৰাজবংশীক প্ৰক্ষেপ কৰিছে। আমাৰ সিদ্ধান্ত মতেহে দৰং-ওদালগুৰি লোকসভা সমষ্টিত কংগ্ৰেছ দলে মাধৱ ৰাজবংশীক প্ৰাৰ্থী দিছে। আমিহে মাধৱ ৰাজবংশীক নাম পৰামৰ্শ দিছিলো।" আজিৰ এই অনুষ্ঠানত ছিপাঝাৰ সমষ্টিৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশী, কমলপুৰ সমষ্টিৰ বিধায়ক দিগন্ত কলিতা, সংখ্যালঘু মৰ্চাৰ ৰাজ্যিক সভাপতি শান্তিয়াছ কুজুৰ, ৰাজ্যিক তথ্য আৰু প্ৰযুক্তি কোষৰ আহ্বায়ক নীলিমা দেৱী, মীন উন্নয়ন নিগমৰ অধ্যক্ষ গুৰুজ্যোতি দাস, দৰং-লোকসভা সমষ্টিৰ অন্তৰ্গত জিলা সমূহৰ সভাপতিসকল, বিভিন্ন মৰ্চা আৰু মণ্ডলৰ সভাপতিসকলকে আদি কৰি বিভিন্ন স্তৰৰ কাৰ্যকৰ্তাসকল উপস্থিত থাকে।

## জনপ্ৰিয়তা অটুট থকাৰ প্ৰমাণ দিলে ৰাণা গোস্বামীয়ে

# যোৰহাটত ২৫০০ লোকৰ বিজেপিত যোগদান






**ই-সংবাদ, ১৭মাৰ্চঃ** নিৰ্বাচনৰ তাৰিখ ঘোষণাৰ পাছতে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত বিজেপিয়ে কেইবাখনো যোগদান সভা অনুষ্ঠিত কৰে৷ মুখ্যমন্ত্ৰী, বিজেপিৰ ৰাজ্যিক সভাপতি, মন্ত্ৰী আৰু বিধায়কৰ উপস্থিতিত অনুষ্ঠিত যোগদান সভাত শাসকীয় বিজেপিয়ে শক্তি প্ৰদৰ্শন কৰে৷ যোৰহাটত ৰাণা গোস্বামীয়ে কংগ্ৰেছ এৰি বিজেপিলৈ অহাৰ পাছতে আজি যোৰহাটত বৃহৎ সমাৱেশ অনুষ্ঠিত কৰি বিজেপিক আকৃষ্ট কৰাৰ প্ৰয়াস কৰা দেখা যায়৷ বিগত কেইবাটাও দিন ধৰি ব্যাপক প্ৰস্তুতিৰ অন্তত আজিৰ সভা অনুষ্ঠিত কৰে ৰাণা গোস্বামীয়ে৷ কংগ্ৰেছ এৰি বিজেপিলৈ অহা ৰাণা গোস্বামীয়ে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, ৰাজ্যিক সভাপতি ভবেশ কলিতা, পীযুষ হাজৰিকাৰ উপস্থিতিত সভাখন অনুষ্ঠিত কৰি জনপ্ৰিয়তা যে অটুট আছে তাকে প্ৰতিপন্ন কৰে৷ আজিৰ সভাত কেইবা হাজাৰ লোক উপস্থিত থাকে৷ সভাত প্ৰায় ২৫০০ লোকে বিজেপিত যোগদান কৰে৷ ২৫০০ লোকৰ ভিতৰত বৃহৎ সংখ্যাক লোক ৰাণা গোস্বামীৰ ঘনিষ্ঠ আৰু কংগ্ৰেছ দলৰ সৈতে জড়িত আছিল বুলি জানিব পৰা গৈছে৷ উল্লেখ্য যে, প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈ যোৰহাট জিলাৰ তিতাবৰৰ সন্তান আছিল৷ তৰুণ গগৈৰ অত্যন্ত ঘনিষ্ঠ আছিল ৰাণ গোস্বামী৷ কিন্তু বিগত দুটা নিৰ্বাচনত পৰাজিত হৈ অৱশেষত কংগ্ৰেছ এৰি বিজেপিত যোগদান কৰে৷ আনহাতে এইবাৰ যোৰহাট লোকসভা সমষ্টিত তৰুণ গগৈৰ পুত্ৰ গৌৰৱ গগৈয়ে কংগ্ৰেছৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিছে৷ গৌৰৱ গগৈয়ে নিৰ্বাচনী প্ৰচাৰ আৰম্ভ কৰাৰ সময়তে ৰাণা গোস্বামীয়ে জনসভা অনুষ্ঠিত কৰি গৌৰৱ গগৈক প্ৰত্যাহ্বান জনায়৷ ইপিনে আজিৰ যোৰহাটৰ সভাক লৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমত এটা পোষ্ট দিয়ে৷ মুখ্যমন্ত্ৰীয়ে কয় যে দুৱাৰডলিত লোকসভা নিৰ্বাচন-২০২৪৷ আৰু এই নিৰ্বাচনৰ জৰিয়তে দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াক তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰীৰ আসনত অধিষ্ঠিত কৰাৰ বাবে হৃদয় উজাৰি আশিস দিবলৈ সাজু হৈছে৷ আমাৰ মিত্ৰজোঁট চৰকাৰে ৰাইজৰ অকুণ্ঠ মৰম বুটলি এইবাৰ ৪০০+ আসন নিশ্চিতকৈ দখল কৰিব৷ এই লক্ষ্যৰ সহযাত্ৰী হ'বলৈ বিভিন্ন দল-সংগঠনৰ পৰা আমাৰ দলৰ আদৰ্শৰ প্ৰতি আকৃষ্ট হৈ বহুজনে ভাৰতীয় জনতা পাৰ্টিত যোগদান কৰিছে৷ এয়া সঁচাকৈয়ে আমাৰ বাবে, ৰাজ্যৰ বাবে বা দেশৰ বাবে অতি ভাল লগা কথা৷ আজি ভাৰতীয় জনতা পাৰ্টি, যোৰহাট জিলা সমিতিৰ উদ্যোগত আয়োজিত তেনে বৃহৎ যোগদান কাৰ্যসূচী এটিত উপস্থিত থাকো। ২,৫০০ৰো অধিক ব্যক্তিয়ে যোগদান কৰা এই কাৰ্যসূচীয়ে আমাৰ বাবে বহু ইতিবাচক ইংগিত বহন কৰিলে৷ ভাৰতীয় জনতা পাৰ্টিৰ মজিয়াত থাকি দেশসেৱা কৰিবলৈ ওলাই অহা প্ৰতিজন সন্মানীয় ব্যক্তিক দললৈ উষ্ম আদৰণি জনাই অভিনন্দন জ্ঞাপন কৰিলো৷ আনহাতে, লোকসভা নিৰ্বাচনৰ দিন ঘোষণাৰ পাছতে বৰাক উপত্যকাত নিৰ্বাচনী গৰম বতাহ বলিছে৷ বৰাক উপত্যকাত বিভিন্ন ৰাজনৈতিক দলৰ তৎপৰতা তীব্ৰতৰ হৈছে৷ ইপিনে 'এইবাৰ ৪০০ পাৰ' শ্লগান দিয়া বিজেপিয়ে বৰাকৰ দুয়োখন আসন পুনৰ নিজৰ হাতত ৰাখিবলৈ কঁকালত টাঙলী বান্ধিছে৷ লোকসভা নিৰ্বাচনৰ দিন ঘোষণাৰ পাছতে আজি শাসকীয় বিজেপি দলে বৰাক উপত্যকাত নিৰ্বাচনী ৰণডংকা বজায়৷ আজি কাছাৰৰ লক্ষীপুৰ সমষ্টিত বিশেষ সভা অনুষ্ঠিত কৰে। বিজেপিৰ সাংগঠনিক সম্পাদক ৰবীন্দ্ৰ ৰাজুৰ উপস্থিতিত অনুষ্ঠিত সভাত ৩ হাজাৰ লোকে বিজেপিত যোগদান কৰে। ৰবীন্দ্ৰ ৰাজুৰ উপস্থিতিত বিভিন্ন দল-সংগঠনৰ ২৮৯৪ জন লোকে বিজেপিত যোগদান কৰে। লক্ষীপুৰ সমষ্টিৰ সভাত ৰবীন্দ্ৰ ৰাজুৱে উন্নয়নৰ স্বাৰ্থত শিলচৰ লোকসভা সমষ্টিৰ হেভিৱেট বিজেপি প্ৰাৰ্থী পৰিমল শুক্লবৈদ্য বুলি দাবী কৰে৷ ৰাইজক পৰিমল শুক্লবৈদ্যৰ সমৰ্থনত ভোট দিবলৈ আহ্বান জনায়। সভাত লক্ষীপুৰৰ বিধায়ক কৌশিক ৰায়, ৰীণা সিং, কানাদ পুৰকায়স্থ আৰু জিলা সভাপতি বিমলেন্দু ৰায় উপস্থিত থাকে।

# কংগ্ৰেছ দলৰ ভৰিত পৰিছে লুৰীণজ্যোতি গগৈ

## নিজ দলৰে সভাপতিক আক্ৰমণ দুলু আহমেদৰ

**ই-সংবাদ, ১৭মাৰ্চঃ** লোকসভা নিৰ্বাচনৰ দিন ঘোষণা কৰা হ'ল যদিও অসমৰ বিৰোধীৰ নেতাৰ মাজত খোৱা-কামোৱা অব্যাহত আছে। এইবাৰ দলীয় সভাপতিক আক্ৰমণৰ লক্ষ্য কৰি লৈছে উপ-সভাপতিয়ে। অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈক আক্ৰমণৰ লক্ষ্য কৰি লৈছে উপ-সভাপতি দুলু আহমেদে। কংগ্ৰেছৰ ভৰিত পৰাৰ লগতে সাম্প্ৰদায়িক নেতা আখ্যা দিছে লুৰীণজ্যোতি গগৈক। নিলম্বন, বহিস্কাৰ কৰি চাবলৈ সকীয়াই দি অসম জাতীয় পৰিষদ দলটো লোকসভা নিৰ্বানৰ পাছত বন্ধ কৰি দিয়াৰ ধমক প্ৰদান কৰে দুলু আহমেদে। আনহাতে বৰপেটা লোকসভা সমষ্টিত জাহাজৰ প্ৰতীকত নিৰ্বাচন খেলি দেখুৱাব বুলিও প্ৰত্যাহ্বান জনাই দুলু আহমেদে। উল্লেখ্য যে, এবছৰ পূৰ্বৰ পৰাই অসমৰ ১৬টা বিৰোধী দলে একত্ৰিত হৈ নিৰ্বাচন খেলাৰ ঘোষণা কৰি মিত্ৰজোঁট গঠন কৰিছিল। কিন্তু নিৰ্বাচনৰ দিন আগুৱাই আহি থকাৰ সময়তে বিৰোধী ঐক্য তছ-নছ হ'বলৈ ধৰিছিল। আপে অসমৰ তিনিখন আসনত প্ৰাৰ্থী ঘোষণা কৰে। কংগ্ৰেছ ডিব্ৰুগড় আসন অসম জাতীয় পৰিষদক এৰি দি ১২ খন আসনত প্ৰাৰ্থী ঘোষণা কৰে। তাৰ লগতে তৃণমূল কংগ্ৰেছ চাৰিখন আৰু চিপিআইএমে এখন আসনত প্ৰাৰ্থী ঘোষণা কৰে। যাৰ ফলতআপুনি কি দলীয় প্ৰতীক চিহ্ন জাহাজখনৰ মালিক নেকি? ইমানে নহয় লুৰীণজ্যোতি গগৈয়ে কংগ্ৰেছৰ সৈতে গোপন বুজাবুজি কৰাৰ অভিযোগ উত্থাপন কৰে দুলু আহমেদে। দুলু আহমেদে কয় "২০২১ বিধানসভা নিৰ্বাচনত আপুনি কিয় মনে মনে দিল্লীৰ ৰাজস্থান গেষ্ট হাউচত কংগ্ৰেছ নেতাৰ লগত লগ হৈ ভিতৰুৱা বুজাবুজিৰ নামত কিমান টকা দাবী কৰিছিল তাৰ তথ্য লাগে নেকি? কোনো ৰাষ্ট্ৰীয় দলৰ লগত মিত্ৰতা নকৰো বুলি ডিঙিৰ শিৰা ফুলাই ফুলাই ডাঙৰ ডাঙৰ ভাষণ মিছাকৈ দি আপোনাৰ অলপো লাজ লগা নাই নে, দিল্লীৰ কংগ্ৰেছৰ মুখ্য কাৰ্যালয়ত কেৱল নিজৰ টিকটৰ বাবে ভৰিত পৰিবলৈ। অমায়িক চেহেৰাৰ আঁৰত থকা সাম্প্ৰদায়িক আৰু উজনি-নামনিৰবিৰোধী মিত্ৰজোঁট থান-বান হৈ পৰে। তাৰ মাজতে বৰ্তমানেও কংগ্ৰেছৰ মিত্ৰজোঁটত থকা থকা অসম জাতীয় পৰিষদত বিসম্বাদ আৰম্ভ হৈছে। বিসম্বাদ আৰম্ভ কৰিছে বহু বিতৰ্কিত ব্যৱসায়ী দুলু আহমেদে। দুলু আহমেদে বৰপেটা সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰিব বিচাৰি টিকটৰ বাবে দলক আৰ্জি দিছিল। কিন্তু বৰপেটা সমষ্টিত পূৰ্বেই কংগ্ৰেছ দল আৰু চিপিআইএম দলে প্ৰাৰ্থী ঘোষণা কৰি থৈছে। সেয়েহে অসম জাতীয় পৰিষদে দুলু আহমেদক গুৰুত্ব প্ৰদান নকৰিলে। ইপিনে অসম জাতীয় পৰিষদৰ মুৰব্বী লুৰীণজ্যোতি গগৈয়ে ডিব্ৰুগড় লোকসভা সমষ্টিত ব্যস্ত হৈ আছে। নিৰ্বাচনী প্ৰচাৰত ব্যস্ত থকা লুৰীণজ্যোতি গগৈক আক্ৰমণৰ লক্ষ্য কৰি লৈছে দুলু আহমেদে। দুলু আহমেদে কয় যে লুৰীণজ্যোতি গগৈ মোৰ নিৰ্বাচনী সভা বাতিল কৰিবলৈ চেষ্টা নকৰিব। কেৱল নিজৰ ডিব্ৰুগড় আসনখন সুৰক্ষিত কৰি কংগ্ৰেছ দলৰ ভৰিত পৰি কি ভিতৰুৱা বুজাবুজি কৰি ১৪টাকৈ দলক ঠগাই নিজৰ সমষ্টিত ব্যস্ত থকাৰ আঁৰৰ ৰহস্য কি ৰাজহুৱা কৰিম নেকি? আপোনাক কংগ্ৰেছৰ ভৰিত পৰি নিজৰ আসনখন সুৰক্ষিত কৰাৰ বাবেহে বিৰোধী ঐক্য মঞ্চৰ সাধাৰণ সম্পাদক বনাইছিল নেকি? এয়াই নেকি আপোনাৰ আপোচবিহীন যাত্ৰা, বজ্ৰ কণ্ঠৰ চৰিত্ৰসমূহ? আপুনি কি অসম জাতীয় পৰিষদ দল কেৱল উজনি অসমকলৈ আৰু সংখ্যাগুৰু নেতাৰে চলাম বুলি ভাবিছে নেকি? যাৰ বাবে মই নামনিৰ সংখ্যালঘু নেতা হোৱা বাবে মোক নাইকিয়া কৰিব বিচাৰিছে? বিভাজনৰ ৰাজনীতিৰ চৰিত্ৰ অসমৰ ৰাইজে লাহে লাহে গম পাব। আপুনি মোৰ নিৰ্বাচনী সভা যিমানেই বন্ধ কৰাৰ চেষ্টা নকৰক কিয়। নামনি অসমৰ দলীয় কৰ্মী আপোনাৰ চাকৰ নহয় যে আপুনি যি নিৰ্দেশ দিব তাকেই পালন কৰিব। আপুনি মোক যিমানেই কাৰণ দৰ্শোৱা জাননী জাৰি নকৰক কিয়? নিলম্বন, বহিস্কাৰ নকৰক কিয়। মই জাহাজৰ প্ৰতীকত নিৰ্বাচন খেলিম। আপুনি পাৰে যদি মোৰ প্ৰতীক বাতিল কৰি দেখাওক। এনেও আপোনাৰ মালিকাধীন অসম জাতীয় পৰিষদ দল লোকসভা নিৰ্বাচনৰ ফলাফলৰ পাছত বন্ধ হৈ যাব। আপুনি কেৱল আৰু দুদিনমান অপেক্ষা কৰক। লাগিলে ৰাজনীতিয়ে নকৰো, কিন্তু আপোনাৰ লোভনীয় চৰিত্ৰ ৰাজহুৱা কৰক।" নিজ দলৰে সভাপতিক ফেচবুকত পোষ্ট দি এনেদৰে আক্ৰমণৰ পাছতে কমেণ্ট বক্সত একাংশ লোকে দুলু আহমেদক কুকুৰে কাইট নোখোৱাকৈ গালি পাৰিছে। ধৈৰ্য্য নোহোৱা, ফকটীয়া নেতা আৰু চৰিত্ৰ সংশোধন কৰিবলৈ পৰামৰ্শ দিয়ে বিভিন্নজনে। অৰূপ হাজৰিকা নামৰ এজন লোকে দুলু আহমেদক পৰামৰ্শ দি কয় "নিলিখি নোৱাৰিলো দুলু দা, ইমান দিনে আপোনাক লক্ষ্য কৰি আছিলো। কাৰণ বহুতো। কিজানি কিবা হয়েই। এই ফেচবুক পষ্টটো আপোনাৰ ৰাজনৈতিক জীৱনৰ চৰম মুৰ্খামী। আপুনি জীৱনজুৰি অনুতপ্ত হ'ব। ফণীভূষণ চৌধুৰীক কন্দুৱাব আপুনি। যিজন বহুবাৰ বিধায়ক-মন্ত্ৰী। আপোনাৰ মতে, কংগ্ৰেছৰ মানুহবোৰ বেয়া। বিজেপিক ওফৰাই দিয়া মানুহ আপুনি হাজোত। ৰখিছেইটো আৰু দুটা বছৰ ৰখিলেনো কি হ'লহেঁতেন। অৱশেষত লুৰীণকো নেৰিলে। যদি ৰাজনীতিৰ পথাৰখনত যদি আগুৱাই যাব বিচাৰিছে তেতিয়া হ'লে ভাল পৰামৰ্শদাতা লওক। খঙেৰে নহয়, বিবেকেৰে পৰিচালিত হওক।

# বন্দিহানা আৰক্ষীৰ জালত হানি ট্ৰেপিং চক্ৰৰ তিনি সদস্য, উদ্ধাৰ বিহাৰৰ যুৱক

**ই-সংবাদ, ধুবুৰী, ১৭ মাৰ্চঃ** দক্ষিণ শালমাৰা মানকাচৰ আৰক্ষী জিলাৰ বন্দিহানা আৰক্ষী চকীৰ অন্তৰ্গত ফুলকাটাৰী গাঁৱৰ পৰা হানি ট্ৰেপিং চক্ৰৰে জড়িত তিনি যুবকক গ্ৰেপ্তাৰ কৰাৰ লগতে বিহাৰৰ মতিহাৰি জিলাৰ অপহৃত যুবক এজনক উদ্ধাৰ হোৱা ঘটনাই অঞ্চল জুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। ঘটনাৰ বিৱৰণী মতে, বিহাৰ ৰাজ্যৰ মতিহাৰী জিলাৰ ফৰিছডি থানাৰ গাইঘাট অঞ্চলৰ অভিনন্দন কুমাৰ নামৰ  যুৱক এজনৰ লগতে ধুবুৰীৰ এগৰাকী যুৱতীয়ে প্ৰথমতে ফেচবুকৰ জৰিয়তে প্ৰেমৰ সম্পৰ্ক গঢ়ি তোলে। তাৰ পাছত যুৱকজনক প্ৰথমেপশ্চিম বংগৰ শিলিগুৰিলৈ আৰু পিছত ধুবুৰীলৈ মাতি আনে। প্ৰেমিকাই প্ৰথমেপ্ৰেমিকৰ পৰা  কুৰি হাজাৰ টকা দাবী কৰে যদিও অভিনন্দনে দাবী কৰা ধন দিবলৈ অমান্তি হোৱাত যুৱকজনক বন্দিহানা আৰক্ষী চকীৰ অন্তৰ্গত ফুলকাটাৰীৰ টিপকাই নৈৰ পাৰৰ এটা ঘৰত আবদ্ধ কৰি দুই লাখ টকা মুক্তিপণ দাবী কৰি যুৱকজনৰ পৰিয়ালৰ লোকক কথাটো অবগত কৰে৷ যুৱতী এগৰাকীক হানি ট্ৰেপিং চক্ৰৰ নায়িকা সজাই ইয়াৰ নিয়ন্ত্ৰণ কৰিছিল ধুবুৰী জিলাৰ তিনিগৰাকী যুৱকে। ইয়াৰ পাছত বিহাৰ আৰক্ষীয়ে দক্ষিণ শালমাৰা মানকাচৰ আৰক্ষীৰ লগত ঘটনাসম্পৰ্কে অৱগত কৰি বন্দিহানা আৰক্ষীৰ লগত যোগাযোগ কৰে৷ বন্দিহানা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া কপিল উদ্দিন আহমেদৰ নেতৃত্বত স্থানীয় আৰক্ষীয়ে যুদ্ধকালীন তৎপৰতাৰে কালি নিশা ফুলকাটাৰী টিপকাই নৈৰ পাৰৰ পৰা অপহৃত অভিনন্দন কুমাৰক উদ্ধাৰ কৰাৰ লগতে হানি ট্ৰেপিং চক্ৰৰে জড়িত মতালেব হুচেইন(৪৪) ,চৌধুৰীৰ চৰ গাৱঁৰ জাইদুৰ আলী(৩৮) আৰু বিলাসীপাৰাৰ গিৰিৰ গাঁৱৰ মহিদুল ইছলাম(২৫) নামৰ তিনিগৰাকী যুৱকক আটক কৰে। ঘটনা সংক্ৰান্তত স্থানীয় আৰক্ষীয়ে ফকিৰগঞ্জ থানাত ভাৰতীয় দণ্ডবিধিৰ ৩৬৪(ক)/ ৩৮৬/৩৪ ধাৰাত ২৭/২৪ নম্বৰত গোচৰ ৰুজু কৰি আজি তিনি অপৰাধীক ধুবুৰী আদালতৰ জৰিয়তে জে'ললৈ প্ৰেৰণ কৰে।

# সৰ্বানন্দ সোণোৱালক প্ৰশংসাৰে উপচালে কংগ্ৰেছী পৱন সিং ঘাটোৱাৰে

**ই-সংবাদ, ১৭মাৰ্চঃ** বিজেপিৰ ডিব্ৰুগড়ৰ প্ৰাৰ্থী সৰ্বানন্দ সোণোৱালক নতুন কেন্দ্ৰীয় মন্ত্ৰীসভাত পাবলগীয়া মন্ত্ৰীত্বৰ বাবে আগতীয়াকৈ শুভেচ্ছা যাচিলে কংগ্ৰেছৰ জ্যেষ্ঠ নেতা পৱন সিং ঘাটোৱাৰে৷ সৰ্বানন্দ সোণোৱাল উপস্থিত থকা এখন সভাত ভাষণ প্ৰদান কৰি কংগ্ৰেছৰ জ্যেষ্ঠ নেতা পৱন সিং ঘাটোৱাৰে সৰ্বানন্দ সোণোৱালক ভূয়সী প্ৰশংসা কৰে৷ লোকসভা নিৰ্বাচনৰ দিন ঘোষণাৰ পাছতো বিজেপিৰ নেতাক প্ৰশংসা কৰাৰ ঘটনাক সহজে লোৱা নাই বিৰোধী দলসমূহে৷ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালক প্ৰশংসা কৰা পৱন সিং ঘাটোৱাৰ কংগ্ৰেছৰ চৰকাৰত কেন্দ্ৰীয় মন্ত্ৰী, প্ৰদেশ কংগ্ৰেছৰ প্ৰাক্তন সভাপতি আছিল। কংগ্ৰেছৰ ৰাজ্যখনৰ ভিতৰতেঅন্যতম জ্যেষ্ঠ নেতা পৱন সিং ঘাটোৱাৰে কৰা এই মন্তব্যৰ পাছতে ৰাজ্যজুৰি চৰ্চা হোৱা পৰিলক্ষিত হৈছে৷ ডিব্ৰুগড়ত অনুষ্ঠিত ভাৰতীয় চাহ সংস্থাৰ অসম শাখাৰ ১৩৩তম বাৰ্ষিক সাধাৰণ সভাত দুয়োগৰাকী নেতা উপস্থিত আছিল৷ দুয়োগৰাকী নেতাই মঞ্চত বহি থকাৰ সময়ত আৰু ভাষণ প্ৰদানৰ সময়ত ইজনে-সিজনক প্ৰশংসা কৰে৷ কিন্তু পৱন সিং ঘাটোৱাৰে দলীয় পৰম্পৰা ভংগ কৰি সৰ্বানন্দ সোণোৱালক আহিবলগীয়া নতুন চৰকাৰত নিশ্চিতভাৱে এতিয়াৰ দৰে গুৰুত্বপূৰ্ণ পদবীত থাকিব বুলি কয়। সেই সময়ছোৱাত চাহ উদ্যোগৰ বিকাশৰ বাবে কাম কৰিব বুলি আশা প্ৰকাশ কৰে ঘাটোৱাৰে৷ ঘাটোৱাৰে কৈছিল যে সৰ্বানন্দ সোণোৱালৰ সৈতে মোৰ সু-সম্পৰ্ক। ৰাজনীতি বাদ দি আমি সমাজৰ স্বাৰ্থত বহু কথাই মত-বিনিময় কৰো। আমি বহু বিষয়ত সহমতত উপনীত হও। মই তেওঁক কওঁ আমি তোমাক লৈ গৌৰৱান্বিত। তেওঁ এতিয়া গুৰুত্বপূৰ্ণ পদবীত, গুৰুত্বপূৰ্ণ দায়িত্বত আছে। মোদী চৰকাৰৰ এজন জ্যেষ্ঠ মন্ত্ৰী। মই তেওঁক অনুৰোধ জনাও, চাহ জনগোষ্ঠীৰ লোকসকলৰ সমস্যা আৰু চাহ উদ্যোগৰ বিকাশৰ বাবে প্ৰধানমন্ত্ৰীৰ সৈতে কথা পাতিব লাগে। তেওঁ মোক অনুৰোধ জনাইছে যে মই যাতে এই বিষয়তএখন পত্ৰ প্ৰধানমন্ত্ৰীলৈ প্ৰেৰণ কৰো। সেয়া মই কৰিম৷ ইমানে নহয় ঘাটোৱাৰে সোণোৱালক আগন্তুক চৰকাৰত নিশ্চিতভাৱ এতিয়াৰ দৰে গুৰুত্বপূৰ্ণ পদবীত থাকিব বুলিও কয়৷



# পাতেকীবৰী সত্ৰত সেৱা লৈ প্ৰচাৰ আৰম্ভ প্ৰদ্যুৎ বৰদলৈৰ

## মুখ্যমন্ত্ৰীক দুৰ্নীতিগ্ৰস্ত আখ্যা দি তীব্ৰ কটাক্ষ বৰদলৈৰ

**ই-সংবাদ, মৈৰাবাৰী ১৭ মাৰ্চঃ** নিৰ্বাচনৰ দিন ঘোষণাৰ পাছতে নগাঁৱত তৎপৰ হৈছে বিভিন্ন ৰাজনৈতিক দল আৰু প্ৰাৰ্থীসকল৷ ধিং সমষ্টিৰ কংগ্ৰেছৰ দুৰ্গ মৈৰাবাৰীত কংগ্ৰেছ প্ৰাৰ্থী প্ৰদ্যুৎ বৰদলৈয়ে প্ৰচাৰ আৰম্ভ কৰিছে৷ বিৰোধী ঐক্য মঞ্চৰ সমৰ্থিত প্ৰাৰ্থী তথা সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে মৈৰাবাৰীৰ শ্ৰী শ্ৰী অলিপুখুৰী পাতেকীবৰী সত্ৰত সেৱা লৈ প্ৰচাৰ আৰম্ভ কৰে৷ তাৰ পাছতে মৈৰাবাৰী ব্লক কংগ্ৰেছৰ কাৰ্যালয়ত ভাষণ প্ৰদান কৰে। প্ৰদ্যুৎ বৰদলৈয়ে কয় যে নগাঁৱত এইবাৰ যুঁজ কেৱল বিজেপিৰ লগত হ'ব। ইউডিএফ বা আমিনুল ইছলাম কংগ্ৰেছৰ বাবে কোনো ফেক্টৰে নহয়। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা কংগ্ৰেছত থকা সময়ত দুৰ্নীতিগ্ৰস্ত আছিল,




যেতিয়াই বিজেপিলৈ গ'ল তেতিয়াই সকলো দুৰ্নীতি নোহোৱা গ'ল৷ বিজেপি দল আৰু মুখ্যমন্ত্ৰীক সমালোচনা কৰাৰ লগতে ইউডিএফ দলক সমালোচনা কৰি আমিনুল ইছলামে মুছলিম আৰু হিন্দু ভোটাৰক বিভাজনৰ সৃষ্টি কৰি ধৰ্মৰ ৰাজনীতি কৰা বুলি সমালোচনা কৰা বুলি কয় প্ৰদ্যুতে৷ সভাত সহস্ৰাধিক লোক উপস্থিত থাকে। সভাৰ অন্তত মৈৰাবাৰী গাৰে হেৰা জামে মছজিদত ইছলাম ধৰ্মাৱলম্বী লোকৰ সৈতে ইফতাৰ পাৰ্টিত অংশগ্ৰহণ কৰি জ্যেষ্ঠজনৰ আশীষ লয়৷ আগন্তুক দিনত কংগ্ৰেছ দলক ভোটদান কৰিবলৈ অনুৰোধ জনোৱাৰ লগতে মৈৰাবাৰী মুক্তাৰ মাৰ্কেটত উপস্থিত হৈ ৰাইজৰ দলৰ নেতা-কৰ্মীৰ লগত মত-বিনিময় কৰে।

## খিলঞ্জীয়া ইছলামধৰ্মীৰ জৰীপৰ বাবে জিলা পৰ্যায়ত সমিতি গঠন

ই-সংবাদ, ১৭মাৰ্চঃ ই-সংবাদ, ১৭মাৰ্চঃ লোকসভা নিৰ্বাচনৰ দিন ঘোষণাৰ পাছতে ৰাজ্যত আৰম্ভ হৈছে ব্যাপক নিৰ্বাচনী প্ৰচাৰ৷ তাৰ মাজতে অসম চৰকাৰে অসম খিলঞ্জীয়া ইছলামধৰ্মীৰ ভোট লাভৰ বাবে বিশেষ ঘোষণা কৰিছে৷ অসমৰ খিলঞ্জীয়া ইছলামধৰ্মীসকলক চিনাক্ত কৰিবলৈ অসম চৰকাৰে বিশেষ পদক্ষেপ লোৱাৰ ঘোষণা কৰি নিৰ্দেশনা প্ৰকাশ কৰিছে৷ ৰমজানৰ ৰোজা চলি থকাৰ সময়তে জৰীপ কৰাৰ বাবে সমিতি গঠন কৰিছে৷ খিলঞ্জীয়া মুছলমানসকলৰ আৰ্থ-সামাজিক জৰীপৰ বাবে জিলা পৰ্যায়ত সমিতি গঠন কৰাৰ ঘোষণা কৰিছে। প্ৰতিখন জিলাৰ জিলা আয়ুক্তক অধ্যক্ষ হিচাপে লৈ সমিতি গঠন কৰা হৈছে৷ এই সমিতি স্থানীয় লোক তথা সদৌ অসম গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদৰ নেতাক সদস্য কৰা হৈছে৷ অচিৰেই আৰম্ভ হ'বলগীয়া খিলঞ্জীয়া মুছলমানৰ জৰীপক লৈ আশাবাদী কেইবা লাখ লোক৷ মুখ্যমন্ত্ৰীৰ এনে পদক্ষেপৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছে খিলঞ্জীয়া মুছলমানসকলে।কৰে কেজৰিৱালৰ।


# লাহৰীঘাটত তিনি জুৱাৰীক আটক

**ই-সংবাদ, লাহৰীঘাট ১৭মাৰ্চঃ** মৰিগাঁওও জিলাৰ লাহৰিঘাটত আৰক্ষীয়ে অভিযান চলাই তিনি জুৱাৰীক নগদ ধনসহ আটক কৰিবলৈ সক্ষম হৈছে৷ জালত পৰিছে বৰবড়ী গাঁৱৰ ইক্ৰামুল হুছেইন (২৭), সাহেদ আলী (৩৭) আৰু ছাহজাহান আলী (২৮)। লাহৰীঘাট থানাৰ ভাৰপ্ৰাপ্ত বিষয়াৰ নেতৃত্বত লাহৰিঘাট বজাৰৰ লালি বিলপাৰত অভিযান চলাই জুৱা খেলি থকা অৱস্থাত হাতে-লোটে তিনি জুৱাৰী ধৰিবলৈ সক্ষম হয়৷ তাচপাত, দুটা মোবাইল, কিছু নগদ টকাৰ লগতে দুখন মটৰচাইকেল জব্দ কৰে আৰক্ষীয়ে। দীৰ্ঘদিন ধৰি অঞ্চলটোত জুৱা খেল চলাই সামাজিক পৰিৱেশ বিনষ্ট কৰাৰ অভিযোগ উত্থাপিত হৈ আছিল।



# শেষ পৃষ্ঠা

## ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰু চেম্পিয়ন



**নতুন দিল্লী, ১৭ মাৰ্চঃ** উইমেন প্ৰিমিয়াৰ লীগৰ দ্বিতীয় সংস্কৰণত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালোৰ চেম্পিয়ন হৈছে। দলটোৱে দিল্লী কেপিটেলছৰ বিৰুদ্ধে আঠ উইকেটত জয়ী হয়। জয়ৰ বাবে ১১৪ ৰানৰ লক্ষ্য অনুসৰণ কৰি ১৯.৩ অভাৰত দুই উইকেট হেৰুৱাই ১১৫ ৰান কৰি বিজয় সাব্যস্ত কৰে বাংগালোৱে। অধিনায়ক স্মৃতি মান্ধানাই ৩১ ৰান কৰাৰ উপৰিও এলিছ পেৰিৰ বেটৰ পৰা আহে ৩৫ ৰান। শেষৰফালে ৰিচা ঘোষে খৰতকীয়াকৈ ১৭ ৰান সংগ্ৰহ কৰে। ইয়াৰ পূৰ্বে অৰুণ জেটলী ষ্টেডিয়ামত টচত জয়ীহৈ দিল্লীৰ অধিনায়ক মেগ লেনিঙে প্ৰথমে বেটিং কৰাৰ সিদ্ধান্ত লয়। কিন্তু তেওঁৰ এই সিদ্ধান্ত ভুল প্ৰমাণিত হয়। বাংগালোৰৰ নিয়ন্ত্ৰিত বলিংৰ সন্মুখত দিল্লীয়ে ১৮.৩ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই সংগ্ৰহ কৰে মাত্ৰ ১১৩ ৰান। চেফালী বাৰ্মাই সৰ্বাধিক ৪৪ আৰু অধিনায়ক লেনিঙে কৰে ২৩ ৰান। বাংগালোৰৰ শ্ৰীয়ানকা পাটিলে ৩.৩ অভাৰত মাত্ৰ ১২ ৰানদি দখল কৰে চাৰিটা উইকেট। ইয়াৰ উপৰিও চফিয়া মনিনেক্সে তিনিটা আৰু আশা চোবহানাই দুটা উইকেট দখল কৰে।












newsnextone.comৰ দ্বাৰা গুৱাহাটীৰ পৰা অনলাইনযোগে প্ৰকাশিত আৰু News Next Oneৰ কাৰ্যবাহী সম্পাদক ধ্ৰুৱজ্যোতি ধনন্তৰিৰ দ্বাৰা সম্পাদিত। ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮ | বাৰ্তা সম্পাদকঃ ওৱাহেদৰ ৰহমান